# ভাৰত-জার্মেণীৰ মাজত প্ৰথমথন উচ্চ প্ৰযুক্তি অংশীদাৰ গ্ৰুপৰ বৈঠক

চেপ্তেম্বৰ ১০,২০১৩

১.বৈদেশিক সচিব সুজাতা সিঙ আৰু র্জামানিৰ বিদেশ কার্য্যলয়ৰ কেবিনেট সচিব হাৰল্ড ব্ৰাউনে আজি র্বালিনত ভাৰত-র্জামানী উচ্চ প্ৰযুক্তি অংশীদাৰ গ্ৰুপৰ বৈঠকত অধ্যক্ষতা কৰে ।গ্ৰুপটোৱে উচ্চ প্ৰযুক্তিৰ সহযোগিতাৰ ক্ষেত্ৰত দ্বিপাক্ষীক সম্বন্ধক অধিক গভীৰ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহন কৰে । আজিৰ বৈঠকত উচ্চ প্ৰযুক্তিৰ বাণিজ্যৰ ক্ষেত্ৰত আৰু ৰপ্তানী নিয়ন্ত্ৰন সম্বন্ধীয় বিষয়সমুহত তথা পাৰামানবিক অস্ত্ৰ-শস্ত্ৰ বৃদ্ধিত বাধা আৰোপ কৰিবলৈ আৰু মন্ত্ৰনালয়সমুহৰ আৰু উচ্চস্তৰৰ ব্যৱসায় মহলৰ অন্তর্ভূক্তিৰে ২০১৪ চনৰ প্ৰথম ভাগত নতুন দিল্লীত দ্বিতীয় লানি বৈঠকৰ প্ৰস্তুতিৰ সন্দৰ্ভত দুয়োপক্ষই মত বিনিময় কৰে ।

২. ফেডাৰেল চেঞ্চেলৰ এঞ্জেলা মার্কেল আৰু ভাৰতীয় প্ৰধান মন্ত্ৰীয়ে চলিত বৰ্ষৰ(২০১৩) এপ্ৰিল মাহত বার্লিনত অনুষ্ঠিত দ্বিতীয়থন ভাৰত-র্জামান চৰকাৰী পৰামৰ্শকাৰী বৈঠকত উক্ত গ্ৰুপটোৰ সৃষ্টিৰ সিদ্ধান্ত গ্ৰহন কৰিছিল।এই বৈঠকতে দুয়োথন চৰকাৰে উচ্চ প্ৰযুক্তিৰ বাণিজ্য আৰু সহযোগিতাৰ অধিক সম্প্ৰসাৰনৰ ক্ষেত্ৰতো সিদ্ধান্ত গ্ৰহন কৰিছিল ।

বাৰ্লিন

চেপ্তেম্বৰ ৯,২০১৩